PGAS S2 01

অসমীয়া সাহিত্যৰ বুৰঞ্জী

(অৰুণোদই যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)

দ্বিতীয় ষাণ্মাসিক

অসমীয়া

খণ্ড ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° খগেশ সেন ডেকা (অৱসৰপ্রাপ্ত), সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	ড° মনোজ কুমাৰ দাস, আৰ. জি. বৰুৱা মহাবিদ্যালয়, ফটাশিল আমবাৰী, গুৱাহাটী
২	ড° বনলতা ডেকা, পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি
৩	ড° বর্ণালী ডেকা, পূব কামৰূপ মহাবিদ্যালয়, বাইহাটা চাৰিআলি
৪	ড° প্রণিতা বর্মন, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী
৫	ড° মঞ্জু গোস্বামী, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী
৬	গোবিন্দ প্রসাদ ভূঞা, গৱেষক ছাত্র, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
৭	ড° পাচান আলি আহমেদ, পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়, বাৰাংহাটী, কামৰূপ

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ অধ্যাপক উমেশ ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অধ্যায় ৩, ৪, ৫ আৰু ৬)
ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অধ্যায় ১, ২ আৰু ৭)

গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জানুৱাৰী, ২০১৮

ISBN : 978-81-934669-5-7

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in

উপ-মুখ্য কার্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদই যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ দ্বিতীয় ষাণ্মাসিকৰ সংশোধিত আৰু পৰিবৰ্ধিত প্ৰথম পাঠ্যবিষয়। এই পাঠ্যবিষয়ৰ শিৰোনাম 'অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদই যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)'। পাঠ্যবিষয়ৰ শিৰোনামটোৱেই এই পাঠ্যবিষয়ত কি কি অন্তৰ্ভুক্ত কৰা হৈছে তাৰ আভাস দিয়ে। মাধৱ মেনন আয়োগৰ পৰামৰ্শ ভিত্তিক এই দৰে সংস্কাৰ কৰা আৰু পৰিবৰ্ধিত ৰূপ প্ৰদান কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এই দ্বিতীয় খণ্ডটোৱে শিক্ষাৰ্থীক বিস্তৃত পৰিসৰত অসমীয়া সাহিত্যৰ কেউটা শাখাৰ শ্ৰীবৃদ্ধিত *অৰুণোদই, জোনাকী, বাঁহী, ঊষা, আৱাহন, জয়ন্তী, ৰামধেনু* আদি আলোচনীয়ে আগবঢ়োৱা সহযোগিতা আৰু উৎসাহ-উদ্দীপনাৰ কথা সম্যকভাৱে জানিবলৈ সুবিধা প্ৰদান কৰিব। এই আলোচনী কেইখনৰ লগত জড়িত ব্যক্তি আৰু সৃষ্টিশীল লেখকসকলৰ বিষয়েও এই অধ্যায়সমূহে ধাৰণা প্ৰদান কৰিব। মন কৰিবলগীয়া যে অধ্যায়সমূহৰ আলোচনাই সামৰি লোৱা কেইগৰাকীমান সাহিত্যিকৰ কৃতি কেইবাখনো আলোচনীত বিস্তৃত হৈ আছে। সেইবাবে কোনো কোনো অধ্যায়ত কৰা কোনো বিশেষ সাহিত্যিকৰ কৃতিৰ আলোচনা পৰৱৰ্তী অধ্যায়লৈ প্ৰসাৰিত হৈছে। একাদশৰ পৰা চতুৰ্দশ অধ্যায়লৈ সামৰা আলোচনাই সাম্প্ৰতিক যুগটোক সামৰিছে যাৰ বৃদ্ধি আৰু বিকাশ এতিয়াও বৰ্তমান। গতিশীল সময়ৰ লগত সাঙোৰ খাই থকা সাহিত্যিকসকলৰ কৃতিৰ পূৰ্ণাঙ্গ মূল্যায়ন সকলো ক্ষেত্ৰতে সম্ভৱ নহয়। তেওঁলোকৰ সৰহ সংখ্যকে আজিৰ কাপ এৰা নাই। গতিকে সেই নিৰ্দিষ্ট অধ্যায় কেইটাৰ আলোচনাভাগ কিছু সংক্ষেপ। অৱশ্যে যি আলোচনা কৰা হৈছে তাৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে সাম্প্ৰতিক সময়ৰ অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতিৰ কিছু ধাৰণা লাভ কৰিব। আলোচনাৰ সুবিধাৰ্থে এই পাঠ্যবিষয়টো দুটা খণ্ডত ভাগ কৰা হৈছে। খণ্ড ১ত প্ৰথম অধ্যায়ৰ পৰা সপ্তম অধ্যায়লৈ আৰু খণ্ড ২ত অষ্টম অধ্যায়ৰ পৰা চতুৰ্দশ অধ্যায়লৈ।

খণ্ড পৰিচয় ঃ খণ্ড ১

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ দ্বিতীয় ষাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয়ৰ প্ৰথম খণ্ড। এই খণ্ডটোত সাতটা অধ্যায় আছে। পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টো হৈছে 'অৰুণোদই যুগৰ অসমীয়া সাহিত্য-১'। ইয়াত অৰুণোদইৰ ঐতিহাসিক পটভূমি আৰু প্ৰাক্-অৰুণোদই যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে জানিব পাৰিব। দ্বিতীয় অধ্যায় 'অৰুণোদই যুগৰ অসমীয়া সাহিত্য-২'ৰ মাধ্যমেদি *অৰুণোদই* প্ৰকাশৰ সময়ছোৱাৰ লেখক-লেখিকাসকলৰ ৰচনাৰ বিষয়ে পঢ়িবলৈ পাব। তৃতীয় অধ্যায় 'অৰুণোদই যুগৰ অসমীয়া সাহিত্য-৩'ত অৰুণোদই যুগটোৱে সামৰি লোৱা সময়ছোৱাৰ ভিতৰত প্ৰকাশিত হোৱা অন্যান্য কাকত-আলোচনী, যেনে— *মৌ*, *আসাম বন্ধু* অদিৰ আলোচনা সন্নিৱিষ্ট হৈছে। এই অধ্যায়টোৱে শিক্ষার্থীক সেই সময়ৰ সাহিত্য-সংবাদ সেৱাৰ লগত জড়িত নানান দিশৰ লগত শিক্ষার্থীক পৰিচয় কৰাই দিব। ইয়াৰ পৰৱৰ্তী অধ্যায় চাৰি, পাঁচ আৰু ছয়ত ক্ৰমে 'জোনাকী যুগৰ অসমীয়া সাহিত্য-১, ২ আৰু ৩' —এই দৰে সজোৱা হৈছে। ইয়াৰ অন্তৰ্গত পঞ্চম অধ্যায়টোত জোনাকী যুগৰ পটভূমি, জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বিবিধ বৈশিষ্ট্য আৰু ধাৰাৰ বিষয়ে আলোচিত হৈছে। পঞ্চম অধ্যায় 'জোনাকী যুগৰ অসমীয়া সাহিত্য-২' 'জোনাকী যুগ' ৰূপে প্ৰসিদ্ধ সময়ছোৱাৰ ভিতৰত প্ৰকাশিত হোৱা *উষা* আৰু *বাঁহী*ৰ বিশেষ উল্লেখসহ সেই সময়ছোৱাৰ সাহিত্যত চকু ফুৰোৱা হৈছে। ষষ্ঠ অধ্যায় 'জোনাকী যুগৰ অসমীয়া সাহিত্য-৩'ত *জোনাকী* আলোচনীলৈ যি কেইগৰাকী সাহিত্যিকে নিজৰ বহুমূলীয়া আগবঢ়াইছিল, তেওঁলোকৰ ৰচনা কৃতিৰ আলোচনা পঢ়িবলৈ পাব। সপ্তম অধ্যায়ে 'আৱাহনৰ সাহিত্য' সামৰিছে। ইয়াত বিস্তৃত পৰিসৰত *আৱাহন* আলোচনীলৈ অৰিহণা যোগোৱা লেখকসকলৰ কৃতিসমূহ আলোচনা কৰাৰ লগতে *আৱাহনে* অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰত কেনে ধৰণৰ অৰিহণা আগবঢ়াই গ'ল তাৰ লেখ আছে। মন কৰিবলগীয়া যে এই খণ্ডটোৰ কেইটামান অধ্যায়ত কোনো কোনো লেখকৰ বিষয়ে কৰা আলোচনাৰ পুনৰোক্তি ঘটিছে। অধ্যায় কেইটাৰ অন্তৰ্গত বিষয়বস্তুৰ আলোচনা ক্ৰমৰ ধাৰাবাহিকতা আৰু ক'ৰবাত কোনো এটা বিশেষ যুগ বা বিশেষ আলোচনালৈ অৰিহণা আগবঢ়োৱা লেখকৰ ৰচনা অন্য এটা যুগ বা আলোচনীৰ পৃষ্ঠালৈ বিস্তৃত হৈ থকাৰ বাবে এনে পুনৰোক্তি ঘটিছে। তদুপৰি বিভিন্ন জনসমল ব্যক্তিৰ বিষয়বস্তু উপস্থাপনত প্ৰয়োগ কৰা উপস্থাপন কৌশলৰ বিষয়ে জনাত সেই পাঠাংশসমূহে সহায় কৰে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ অৰুণোদই যুগৰ অসমীয়া সাহিত্য-১ ৭-৪৭

অৰুণোদই যুগৰ ঐতিহাসিক পটভূমি; অৰুণোদই যুগৰ সাহিত্য ঃ প্ৰাক্-অৰুণোদই স্তৰ (১৮২৬-১৮৪৬), *অৰুণোদই* ঃ অসমীয়া ভাষাৰ পুনঃ প্ৰতিষ্ঠাৰ স্তৰ, আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ স্তৰ

অধ্যায় ২ ঃ অৰুণোদই যুগৰ অসমীয়া সাহিত্য-২ ৪৮-৭৭

অৰুণোদই কাকত আৰু অসমীয়া সাহিত্য; *অৰুণোদই* কাকত প্ৰকাশৰ সময়ছোৱাৰ অসমীয়া সাহিত্যৰ চমু আভাস ঃ *অৰুণোদই* কাকতলৈ অৱিহণা যোগোৱা অনা-অসমীয়া লেখক-লেখিকাসকল, *অৰুণোদই* কাকতলৈ অৱিহণা যোগোৱা অসমীয়া লেখক-লেখিকাসকল

অধ্যায় ৩ ঃ অৰুণোদই যুগৰ অসমীয়া সাহিত্য-৩ ৭৮-৯৯

অৰুণোদই যুগৰ অসমীয়া সাহিত্য ঃ *আসাম বিলাসিনী*, *আসাম বিলাসিনীৰ* বৈশিষ্ট্যসমূহ, *আসাম নিউজ*, *আসাম নিউজৰ* বৈশিষ্ট্যসমূহ, *মৌ*, *মৌৰ* বৈশিষ্ট্যসমূহ, *আসাম বন্ধু*, *আসাম বন্ধুৰ* বৈশিষ্ট্যসমূহ, অন্যান্য কাকতসমূহ

অধ্যায় ৪ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য-১ ১০০-১২৭

জোনাকী যুগৰ পটভূমি; জোনাকী যুগৰ অসমীয়া সাহিত্য; জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ভাগ ঃ কবিতা, নাটক, উপন্যাস, চুটিগল্প, প্ৰবন্ধ আৰু সমালোচনা; জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য

অধ্যায় ৫ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য-২ ১২৮-১৪৫

জোনাকী যুগৰ অসমীয়া সাহিত্য ঃ *ঊষা*, *ঊষাৰ* বৈশিষ্ট্যসমূহ, *বাঁহী*, *বাঁহীৰ* বৈশিষ্ট্যসমূহ

অধ্যায় ৬ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য-৩ ১৪৬-১৬৯

জোনাকী যুগৰ সাহিত্যিকসকল ঃ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, আনন্দ চন্দ্ৰ আগৰৱাল, বেণুধৰ ৰাজখোৱা, সত্যনাথ বৰা, কনকলাল বৰুৱা, ৰঘুনাথ চৌধাৰী, দুৰ্গেশ্বৰ শৰ্মা, ৰজনীকান্ত বৰদলৈ, হিতেশ্বৰ বৰবৰুৱা

অধ্যায় ৭ ঃ *আৱাহনৰ* সাহিত্য ১৭০-১৯৯

আৱাহনৰ পটভূমি; আৱাহন আৰু অসমীয়া সাহিত্য; আৱাহন যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা; আৱাহন যুগৰ সাহিত্যিকসকল